Printed Pages—4

**3 (Sem–6) ASM L 2**

# 2015

## ELECTIVE ASSAMESE

Paper : 6.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ জনক কোন ?

(খ) ‘আৱাহন’ আলোচনীখন কেতিয়া প্ৰকাশ পাইছিল ?

(গ) শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰথম গল্পপুথিখনৰ নাম কি ?

(ঘ) শীলভদ্ৰ কোন যুগৰ গল্পকাৰ ?

(ঙ) গল্পকাৰ শীলভদ্ৰৰ প্ৰকৃত নাম কি ?

(চ) পঞ্চাশৰ দশকত কোনখন আলোচনীয়ে অসমীয়া চুটিগল্পৰ বিকাশত বিশেষভাৱে সহায় কৰিছিল ?

(ছ) অসমীয়া সাহিত্যত কাক ‘উপন্যাস সম্ৰাট’ বুলি জনা যায় ?

(জ) 'ডাৱৰ আৰু নাই' উপন্যাসখনত কোনখন মহাসমৰৰ প্ৰভাৱৰ কথা বৰ্ণিত হৈছে?

(ঝ) 'জীৱনৰ বাটত' নামৰ উপন্যাসখনৰ ৰচক কোন?

(ঞ) ভবেন্দ্ৰনাথ শইকীয়াৰ এখন গল্পপুথিৰ নাম লিখা।

২। যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা: ২×৫=১০

(ক) মানুহে মধুপুৰৰ জমিদাৰক কি বুলি উল্লেখ কৰিছিল? কোনে তেওঁক সেই উপাধি প্ৰদান কৰিছিল?

(খ) যোগেশ দাসৰ দুখন উপন্যাসৰ নাম লিখা।

(গ) নদৰামৰ ঘৰ ক'ত? সি কোন দেশৰ যুঁজলৈ গৈছিল?

(ঘ) ''নাকান্দিবি। মোৰ একো হোৱা নাই নহয়।'' 'বাৰিষা' গল্পটিত এনেদৰে কোনে, কাক কৈছিল?

(ঙ) 'বাৰিষা' গল্পটিত উল্লিখিত বজাৰখনৰ দুজন মাছ বেপাৰীৰ নাম কি কি?

(চ) মধুপুৰ নাট্য সমিতিৰ পৰিচালক কোন আছিল? তেওঁ ক'ৰ পৰা মধুপুৰলৈ আহিছিল?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা: ৫×৪=২০

(ক) 'বাৰিষা' গল্পটোৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) 'বাৰিষা' গল্পটোৰ আধাৰত ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ বৈশিষ্ট্য নিৰূপণ কৰা।

(গ) মাকণে কিয় আৰু কেনেধৰণে মৰণ ব্ৰত লৈছিল, 'মাকনৰ গোঁসাই' গল্পৰ আধাৰত আলোচনা কৰা।

(ঘ) ''নাৰে, মধুপুৰ ছাৰি থাকিব নাপানু। মধুপুৰত কিবা এটা আছেৰে।'' কথাকেইষাৰৰ বক্তা কোন? মধুপুৰৰ প্ৰতি বক্তাৰ আকৰ্ষণ কেনেদৰে প্ৰকাশ পাইছে, গল্পটোৰ আধাৰত বিচাৰ কৰা।

(ঙ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ গল্প-সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা।

৪। (ক) আৱাহন যুগৰ অসমীয়া চুটিগল্পৰ প্ৰকৃতি সম্বন্ধে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) যুদ্ধোত্তৰ বা 'ৰামধেনু যুগ'ৰ চুটিগল্পৰ পটভূমি সম্পৰ্কে আলোচনা কৰা।

৫। (ক) '' 'নদৰাম' গল্পটোত জনজাতীয় জীৱনৰ ত্যাগ আৰু উদাৰতাৰ ছবি আছে আৰু আছে প্ৰকৃত ভালপোৱাৰ ছবি।'' 'নদৰাম' গল্পটোৰ আধাৰত সমালোচকৰ এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰা। ১০

*অথবা*

(খ) 'মাকণৰ গোঁসাই' গল্পটোত মাকণৰ চাৰিত্ৰিক দৃঢ়তা আৰু আধ্যাত্মিক সংযমে বাপুকণ গোঁসাইৰ কেনেধৰণৰ মানসিক পৰিৱৰ্তন ঘটাইছিল, তাক গল্পটোৰ আলমত দাঙি ধৰা।

৬। (ক) দ্বিতীয় বিশ্বযুদ্ধই কেনেদৰে সমকালীন অসমীয়া সমাজৰ নৈতিক প্ৰমূল্যৰ অৱক্ষয় সাধন কৰিছিল, 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ আধাৰত বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসখনক এখন পৰম্পৰাবাদী উপন্যাস হিচাপে বিচাৰ কৰা।

৭। (ক) যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসত চাহ বাগিছাৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে তাক আলোচনা কৰা। ১০

*অথবা*

(খ) তলৰ যি কোনো দুটা চৰিত্ৰ বিশ্লেষণ কৰা : ৫×২=১০

অনুপমা ; গৌৰী ; ভীম ; জীৱন বৰুৱা।

☆ ☆ ☆